- আইন সজাগতা আৰু সৱলীকৰণৰ জৰিয়তে মানৱ অধিকাৰৰ বাবে ন্যায় কোষে উত্তৰ-পূৱ ভাৰতত প্ৰায় ৪০ টা স্বেচ্ছাসেৱী সংগঠনক লৈ উন্নয়নৰ দিশত আগবাঢ়িছে।
- মানৱ অধিকাৰৰ বাবে ন্যায় কোষে গুৱাহাটী উচ্চ ন্যায়ালয় ন্যায় সেৱা সমিতি, জিলা ন্যায় সেৱা প্ৰাধিকাৰী, আৰু UNICEF ৰ সহযোগত অসমৰ পিছপৰা গাঁওৰ মানুহৰ মাজত বিশেষভাৱে শিক্ষাৰ অধিকাৰ আইন, তথ্য জনাৰ অধিকাৰ আইন আৰু বিভিন্ন বিষয়ক আইনী জ্ঞানৰ ওপৰত আইন সজাগতা সম্প্ৰসাৰণ কৰি আহিছে।
- আৰ্থিকভাৱে দুৰ্বল আৰু পিছপৰা লোকসকলৰ লগতে মহিলা কয়েদী সকলক মোকৰ্দমা আপীলত সহায় কৰি আহিছে।



- ৰাজহুৱা স্বাৰ্থৰ মোকৰ্দ্দমাৰ দ্বাৰা কাৰ্বিআংলং জিলাৰ প্ৰায় ১০ হেজাৰ গাৰো জনজাতীয় লোকক পুনৰ সংস্থাপিত কৰা হৈছে।
- মানৱ অধিকাৰৰ বাবে ন্যায় কোষৰ দ্বাৰা ধাৰাবাহিকভাৱে প্ৰকাশিত বিভিন্ন আইন সংক্ৰান্তীয় পুথিয়ে আইন শিক্ষা প্ৰসাৰ কৰিছে।
- প্ৰায় দুই শতাধিক সংখ্যালঘু শিক্ষানুষ্ঠানৰ সমস্যাসমূহ ৰাষ্ট্ৰীয় সংখ্যা লঘু আয়োগক অৱগত কৰি সংখ্যালঘুৰ প্ৰমাণ পত্ৰ পোৱাত সহায় কৰিছে ।
- মানৱ অধিকাৰৰ বাবে ন্যায় কোষৰ সহযোগত অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগে নগাওঁ জিলাৰ চালনা আৰু হোজাই আৰু মৰিগাওঁ জিলাত শিক্ষাৰ অধিকাৰৰ ৰাজহুৱা শুনানি অনুষ্ঠিত কৰে।

## মানৱ অধিকাৰৰ বাবে ন্যায় কোষ কিহৰ বাবে ?

- আইন সংবাদ, জ্ঞান আৰু শিক্ষা বিস্তাৰৰ বাবে।
- আইন সম্পৰ্কীয় মতামত, উপদেশ, পৰামৰ্শ আদি দিয়াৰ বাবে।
- আইন সংক্ৰান্তীয় আলোচনা চক্ৰ, কৰ্মশালা আদি আয়োজন কৰিবৰ বাবে।
- সামাজিক পৰিবৰ্তনৰ স্বাৰ্থত আইন সজাগতা বৃদ্ধি কৰাৰ লগতে সৱলীকৰণৰ বাবে।
- সমাজ কৰ্মীসকলক আইন শিক্ষাৰ লগতে সামাজিক কাৰ্য আৰু সমাজ সেৱাৰ ওপৰত শিক্ষা দিবৰ বাবে।
- জনশুনানি, জনসমীক্ষা আৰু ৰাজহুৱা স্বাৰ্থ ৰক্ষাৰ মোকৰ্দমাৰ কাম হাতত লবৰ বাবে




যোগাযোগৰ ঠিকনা
IN YOUR NEED WRITE US
LCHR, P.B. No. 200, Guwahati- 781001, Assam

*Visit us at*

**Legal Cell for Human Rights (LCHR)**

18/2 Shree Satya Sai Nilayam
Jorpukhuri, Uzanbazar
Guwahati - 781001
Tel : (0361) 2733209

Rupak Nagar, By lane - 2
Near Kailashpati Mandir
Tezpur, Sonitpur - 784001
Tel : (03712) 220311

C/O. Hari Pada Saha
Ujjan Abhoynagar, P.H. Road
Abhoynagar Bazar,
Agartala - 799005 (West) Tripura
Tel : (0381) 2327055

www.lchr.in, legalcel@gmail.com


LEGAL CELL FOR HUMAN RIGHTS
Striving for Justice with Dignity
LCHR - GUWAHATI

'যুগ যুগ ধৰি
নিষ্ঠুৰ আৰু হৃদয়হীন
সকলৰ হাতত ন্যায়ৰ
পৰা বঞ্চিত সকলৰ
বাবে সময় সমাগত।
আজিৰ আদালত-
দুখীয়া আৰু ন্যায়ৰ
বাবে যুঁজ দি থকা
সকলৰ আদালত।'

-উচ্চতম ন্যায়ালয়, ১৯৮২



LCHR

## সংকল্প

সামাজিকভাবে পিছপৰা আৰু দুৰ্বল শ্ৰেণী যেনে-মহিলা, শিশু, বয়সস্থ, জনজাতীয় তথা শাৰীৰিক আৰু মানসিকভাবে অক্ষম লোকৰ মানৱ অধিকাৰৰ ৰক্ষা বেক্ষণৰ বাবে 'মানৱ অধিকাৰৰ বাবে ন্যায় কোষ' গঠিত হৈছে।











## লক্ষ্য

'মানৱ অধিকাৰৰ বাবে ন্যায় কোষে' সমাজৰ অহস্তান্তৰিত ক্ষমতাসমূহৰ স্থিতি নিৰ্ধাৰণ কৰি মানৱীয় মৰ্যদা, সমতা, একতা, শান্তি ন্যায় আৰু স্বাধীনতাৰে ভাতৃত্ব বোধৰ সু-সম্পৰ্ক গঢ়ি তোলাৰ লক্ষ্য লৈ আগবাঢ়িছে।

## অভিযান

'মানৱ অধিকাৰৰ বাবে ন্যায় কোষে' সমাজৰ দুৰ্বল শ্ৰেণীৰ লোক সকলক তেওঁলোকৰ অধিকাৰৰ হকে যুঁজিবলৈ প্ৰেৰণা দি আহিছে। ই সদায় ন্যায়ৰ বাবে যুঁজি থকা দুখীয়া আৰু দুৰ্বল লোকৰ সহায়ৰ হাত।






## উদ্দেশ্য

১) জনকল্যাণমূলক আইন আৰু চৰকাৰী আঁচনি সম্পৰ্কে সজাগতা সৃষ্টি কৰি জনমত গঠন কৰা।

২) গ্ৰামাঞ্চলত বাস কৰা লোকসকলৰ মাজত তেওঁলোকৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি আইনী সজাগতা সৃষ্টি কৰা।

৩) প্ৰাকৃতিক ন্যায় আৰু অন্যান্য গ্ৰহণযোগ্য আইনী মতাদৰ্শৰ ওপৰত ভিত্তি কৰি সন্ধি, মধ্যস্থতা, মিলাপ্ৰীতি আদিৰে আদালতৰ বাহিৰত ওজৰ আপত্তিবোৰ সমাধান কৰা।

৪) আৰ্থিক ভাবে দুৰ্বল শ্ৰেণীক মোকৰ্দমাৰ ক্ষেত্ৰত সহায় কৰা।

৫) মানুহৰ জীৱন যাত্ৰা আৰু গণ আন্দোলনৰ লগত স্বেচ্ছাসেৱী অনুষ্ঠান সমূহৰ যোগসূত্ৰ স্থাপন কৰা।

৬) জনসংযোগকাৰী শিক্ষাৰ বাবে জাননী পত্ৰ, ক্ষুদ্ৰ আলোচনী আদি ছপা কৰা।

৭) সমাজ সংস্কাৰৰ বাবে নতুন প্ৰশিক্ষাৰ্থী সকলক আইনী কৌশলৰ শিক্ষা দিয়া।

৮) উপযুক্ত সমাজকৰ্মী হবৰ বাবে যুৱ আইনজীৱি সকলক প্ৰশিক্ষণ দিয়া।

## কৰ্মীবৃন্দ-

'মানৱ অধিকাৰৰ বাবে ন্যায় কোষ' বেচৰকাৰী অনুষ্ঠানটোৰ কাৰ্য সম্পাদনৰ বাবে দক্ষ আৰু অভিজ্ঞ কৰ্মী আছে। অনুষ্ঠানটোৰ উদ্যোগত বহুতো আইন বিষয়ক বিভিন্ন কাৰ্যসূচী কৰিছে।






## আমাৰ সাফল্য

'মানৱ অধিকাৰৰ বাবে ন্যায় কোষে' দুখীয়া আৰু নিঃস্ব জনৰ অধিকাৰ সাব্যস্ত কৰাত সহায় কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়কে ধৰি বিভিন্ন ন্যায়ালয়ৰ সহায়ত পিছপৰা গাঁৱৰ লোকসলক তেওঁলোকৰ ন্যায় সাব্যস্ত কৰাত সহায় কৰিছে।

- আইন সজাগতা সভাৰ জৰিয়তে অসমত যোৱা ৪ বছৰত ১০ খন জিলাৰ ২৫,৮৯৫ জন গাঁওবাসীয়ে আইনৰ জ্ঞান লাভ কৰিছে।
- অসমৰ ২২১ খন চাহ বাগিচাত প্ৰায় ১১,১১৮ জন চাহ মজদুৰক সামৰি ৩১১ খন আইন সজাগতা সভা অনুষ্ঠিত কৰা হৈছে।
- অৱদমিত চাহমজদুৰ সকলৰ অধিকাৰ সাব্যস্ত কৰাত সহায় কৰিবলৈ মানৱ অধিকাৰৰ বাবে ন্যায় কোষে প্ৰায় সাত শতাধিক প্ৰশিক্ষাৰ্থীক আইনৰ জ্ঞান লাভ কৰাত সহায় কৰিছে।
- 'মানৱ অধিকাৰৰ বাবে ন্যায় কোষে' আইন সজাগতাৰ বাবে বিভিন্ন ঠাইত প্ৰশিক্ষণ, কৰ্মশালা আদিৰ আয়োজন কৰিছে।
- অৰ্থনৈতিকভাবে পিছপৰা লোকসকলৰ মাজত আইন সজাগতাৰ সম্প্ৰসাৰণ কৰাৰ বাবে মানৱ অধিকাৰৰ বাবে ন্যায় কোষে অসম আৰু ত্ৰিপুৰা ৰাজ্যৰ সৰ্বমুঠ ২৪০ গৰাকী ব্যক্তিক আইনৰ প্ৰাথমিক শিক্ষাৰে প্ৰশিক্ষিত কৰি তুলিছে।